
পোহৰ, শব্দ আৰু প্ৰকৃতি
মানস প্ৰতিম দত্ত



# পোহৰ, শব্দ আৰু প্ৰকৃতি

মানস প্ৰতিম দত্ত



# পোহৰ, শব্দ আৰু প্ৰকৃতি

মানস প্ৰতিম দত্ত

ব্যাখ্যাচিত্ৰ: ইণ্টাৰনেট

মূল্য: অমূল্য



ভাইটি নয়নদীপৰ হাতত



তোমালোকে বাৰু গাঁও ভালপোৱানে? গাঁৱত যে কিম্মান ধুনীয়া ধুনীয়া গছ-গছনি থাকে ন! আমাৰ চহৰবোৰতো মানুহে গছ-গছনি টাবত ৰখা তোমালোকে দেখিছা ন? বহুতে বাগিছা পাতে নহয়নে?

তোমালোকে বাৰু ধুনীয়া ধুনীয়া ফুলৰ, গছৰ বাগিছা পাতিছানে?


আমি যেতিয়া সৰু আছিলো, তেতিয়া সৰু সৰু ফুলপুলি গোটাই ফুলৰ বাগিছা পাতিছিলোঁ।

**তোমালোকে লাইটৰ পোহৰত পঢ়া নে লেম্পৰ পোহৰত ?**

তোমালোকে বহুতে লেম্প দেখিছা চাগৈ নহয়নে? তোমালোকে বাৰু টিপচাকি দেখিছানে? আমি সৰু হৈ থাকোতে টিপচাকিৰ পোহৰতো পঢ়িছিলোঁ। টিপচাকি সাজিছিলোঁ। কেনেকৈ জানা?

আমি চিয়াহীৰ বটল এটাৰ সাঁফৰটোৰ সোঁ-মাজত এটা ফুটা এটা কৰি তাৰ মাজত এডাল ৰচী বা অলপ কাপোৰ দীঘলকৈ ভৰাই দিওঁ। সেই ৰচী বা কাপোৰ ডোখৰক সলাকাণি বুলি কয়। তাৰ পাছত সাফৰটো খুলি কেৰাচিন তেল ভৰাই আমি টিপচাকি জ্বলাইছিলোঁ। চাকিটো সৰু হ'লে আমি গচা ব্যৱহাৰ কৰিছিলোঁ।





আজিকালি গাঁৱৰ সেই দিন নাই। গাঁৱৰ টিপচাকি-লেম্পৰ পোহৰত ডাঙৰ
হোৱা  আমি। পোহৰ বুলিলে আমাৰ সাধাৰণতে কেৰাচিন তেলৰ
চাকিটোৰ কথা, লেম্পটোৰ কথা বুজিছিলোঁ। সময় আৰু প্ৰযুক্তিৰ উন্নতিৰ
লগে লগে কেৰাচিন তেলৰ চাকি হেৰাই যাবৰ উপক্ৰম হ’ল । তাৰ ঠাই
ল’লে বিজুলী বাতিয়ে। এয়া সময়ৰ দাবী। এতিয়া চাকি আৰু পোহৰ
বুলিলে নামঘৰত বা কাতি বিহুত বা দীপাৱলীত জ্বলোৱা চাকিগছিলৈহে
মনত পৰে নহয়নে? এই চাকিয়ে আমাক পোহৰ দিয়ে ।
চাকিৰ পোহৰে আন্ধাৰ খেদে। কিন্তু এই পোহৰৰ দিনবোৰত
বাৰু আমি ফটকা, আটচবাজী ফুটাই যে প্ৰকৃতিক দোষ দিঁ
সেই কথাবোৰ জানোনে? ভাৱোনে?



আচলতে প্ৰকৃতিয়ে যে দুখ পায় সেই কথাষাৰ আমাৰ মনলৈয়ে নাহে। প্ৰকৃতিৰ কথা ভৱাৰ আগতে, ফটকা-আতচবাজীৰ কথাবোৰ একাষৰীয়াকৈ থৈ আমি নিজৰ কথাই ভাবোচোন আহা। ধৰা হ'ল তুমি কোনো এডোখৰ স্থানত ঠিয় হৈ আছা। তেনেতে যদি এসোপা পেপাঁ, শব্দ যন্ত্ৰ আনি বজাই থাকে তেন্তে তুমি অসুবিধাৰ সন্মুখীন নহ'বনে? এই বছৰৰ পোহৰৰ উৎসৱ দীপাৱলীত হোৱা শাব্দিক প্ৰদূষণে দিল্লীত সৃষ্টি কৰা ভয়াৱহতাৰ কথা আমি সকলোৱে জ্ঞাত।গতিকে প্ৰকৃতি অনুকুল দীপাৱলী উদযাপনৰ বাবে আমি বদ্ধপৰিকৰ হ'বই লাগিব। এই প্ৰকৃতি অনুকুল দীপাৱলী আমি কেনেকৈ উদযাপন কৰিম- এই কথাষাৰ মনলৈ আহিলেই মোৰ মনতো শৈশৱলৈ উৰা মাৰে।





তেতিয়া আমি চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ। আমি মানে মই আৰু ভাইটী। দীপাৱলী আৰু মাঘৰ বিহু আহিলে আমাৰ খুব আনন্দ লাগিছিল। আমাৰ ঘৰত দীপাৱলীত কোনোধৰণৰ কলপুলি কাটি অনা হোৱা নাছিল যদিও মাঘৰ বিহুৰ মেজিতো কলপুলি ব্যৱহাৰ কৰাৰ নিয়ম আছিল। কিন্তু সেইবাৰ দেউতাই কলগছৰ পৰিৱৰ্তে চাৰিওকাষে শুকান বাঁহ বান্ধি দিছিল। তাকে লৈ ভাইটি আৰু মোৰ মন গোমা। দেউতাক খাটনি ধৰিছো - প্ৰায় সৱেই দেখোন কলপুলি দিয়ে আমাৰনো কিয় দিব নোৱাৰি।আমাৰো দিব লাগে। তেতিয়া দেউতা চাৰিআলিলৈ যাবলৈ ওলাইছিল। আমাক ক'লে - তহঁতৰ সকলো প্ৰশ্নৰ উত্তৰ মই চাৰিআলিৰ পৰা আহি দিমহি।

গধূলি দেউতা চাৰিআলিৰ পৰা আহিল। মা আৰু দেউতাই পাকঘৰত কিবা কথা পাতি আছিল। মায়ে চাহো বনাই আছিল। অলপ পিচতে মা পঢ়া টেবুললৈ আহি ক'লে - চাহ খাহি আহ। আমি পাকঘৰ পালোগৈ। দেউতাই তেতিয়া ক'লে- অথনি যে তহঁত দুটাক মই কলগছ কিয় ৰুব নালাগে ক'ম বুলি কৈছিলোঁ এতিয়া কওঁ শুন। এই যে মজিয়াখনৰ খলা-বমাখিনি দেখিছ, তাত এই চাকি থোৱা গছাটো ঠিয় কৰাব পাৰিবিনে?




আমি থিয় কৰাবলৈ বহুত চেষ্টা কৰিও গছাটো থিয় কৰাব নোৱাৰিলোঁ। তেতিয়া দেউতাই ক'লে: দীপাৱলীৰ সময়ত বা এতিয়া আমি যদি গুৰি চপাই কলগছ এজোপা কাটি আনি ৰোওঁ , তেন্তে গছজোপা পুনৰ জী উঠিব জানো? নিশ্চয় জী নুঠে নহয়নে ! সেয়েহে এই কামটো আমি কলগছৰ পৰিৱৰ্তে অন্য পেলনীয়া বা পুন:ব্যৱহাৰযোগ্য কাঠ বা জেওৰাৰ ওপৰত, অমিতা বা ঔটেঙাৰ বাকলিৰে দেৱালীৰ সময়ত যদি আমি চাকি জ্বলাও , বিহুৰ সময়ত কলগছ নকটাকৈয়ো যদি আমি নিয়ম অনুসৰি বিহু উদযাপন কৰিব পাৰোঁ তেন্তে গছবোৰ কটাৰ প্ৰয়োজন আছে জানো। এনেকৈ যদি গছবোৰ কাটো , তেন্তে পৃথিৱী আৰু মানুহৰ অৱস্থা গছা আৰু খলা-বমা মাটিৰ দৰেই হ'ব। স্থিৰ হৈ নাথাকিব নহয়নে? দেউতাৰ কথা বুজাতহে আমাৰ ভুল ভাগিল।






মায়েও মাৰ শৈশৱৰ দিনবোৰৰ কথা ক'লে দীপাৱলীত  শুকোৱাই থোৱা নাহৰৰ গুটি জ্বলোৱাৰ কথা। মাৰ কথা শুনি পাছৰ বছৰ আমি খুড়াহঁতৰ ঘৰৰ পদূলিৰপৰা সৰি থকা নাহৰ গুটি আনি শুকোৱাই নাহৰ গুটি জ্বলাইছিলোঁ।এতিয়া প্ৰায় ১৫ বছৰৰ পিচতো দীপাৱলীৰ সময়ত এইখিনি কথা মোৰ মনলৈ আহে। অত্যাধিক আতচবাজীৰ শব্দই শব্দ আৰু বায়ু প্ৰদূষণ কৰাৰ লগতে আমাৰ কাণ আৰু হৃদযন্ত্ৰটো প্ৰভাৱ পেলায়। ধেমালিতে হাড় ভাঙে বুলি কোৱাৰ দৰে ফটকাই বহু সময়ত ঘৰ, ভঁৰাল জ্বলাই নষ্ট কৰাৰ বাতৰি আমি শুনা পাওঁ। গতিকে প্ৰকৃতি অনুকুল দীপাৱলীহে আমি উদযাপন কৰা উচিত।



এতিয়া কথা হ'ল আমি উৎসৱ-পাৰ্বনবোৰ কেনেকৈ আয়োজন কৰিম।

- পৰাপক্ষত কলপুলি ব্যৱহাৰ নকৰাৰ চেষ্টা কৰিম। ব্যৱহাৰ কৰিলেও আধাতে কাটি নানি পুনৰ ৰোপণ কৰিব পৰাকৈহে অনা উচিত।
- অত্যধিক শব্দযুক্ত আতচবাজী ব্যৱহাৰ নকৰো।



সম্প্ৰতি আতচবাজীৰ পৰিৱৰ্তে সেউজীয়া ফটকা ব্যৱহাৰৰ বাবেও বহুতে পৰামৰ্শ আগবঢ়াইছে। সেউজীয়া ফটকা হ'ল অন্য ফটকাৰ তুলনাত প্ৰায় ৪০% কম প্ৰদূষণ সৃষ্টি কৰা অপকাৰী পদাৰ্থৰ পৰিৱৰ্তে পানীৰ ফোৱাৰা ওলাব পৰাকৈ বনোৱা ফটকা।



গতিকে, আমি সকলোৱে পৰিৱেশৰ সুৰক্ষাৰ কথাও দীপাৱলীৰ দিনা উপলব্ধি কৰি পৰিৱেশৰ অনুকূল দীপাৱলী আয়োজন কৰা উচিত। আহা, আজি আমি সংকল্প লওঁ আমি আনন্দ কৰোঁতে প্ৰকৃতিয়ে যিদৰে আমাক দুখ নিদিয়ে আমিও প্ৰকৃতিক দুখ নিদিয়াকৈ উৎসৱৰ আনন্দ উপভোগ কৰিম।

